# "কথা কবিতা"



বিশ্ব সাহিত্যত ৰুছ সাহিত্যক আইভান টুৰ্গেনিভৰ হাততেই কথা কবিতাই প্ৰাণ পাই উঠিছিল। আইভান টুৰ্গেনিভ ৰাজ হাড়ৰৰ দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈছিল আৰু স্বদেশৰ পৰা নিৰ্বাসিত হৈ প্ৰৱাসী জীৱন কটাই থকা যন্ত্ৰণাময় মুহূৰ্তত তেওঁৰ মনত দোলা দিয়া আচহুৱা ভাববোৰ এক বিশেষ ৰীতিৰে তেওঁৰ কথা কবিতা পুথি *"Sonilia"* ত লিপিবদ্ধ কৰিছিল।

তেনেদৰে, যতীন্দ্ৰনাথ দুৱৰা অসমীয়া কথা কবিতাৰ জনক। তেখেতৰ একমাত্ৰ কথা কবিতা পুথি খনৰ নাম "কথা কবিতা"।

কথা কবিতা হ'ল কোনো আবেদনশীল বা ভাৱব্যঞ্জক পৰিস্থিতিক বিষয়বস্তু হিচাপে লৈ, মূলতঃ কাব্যভাবানুৰঞ্জিত গদ্যত লিখা নাতিদীৰ্ঘ ৰচনাক "কথা-কবিতা" বুলি কোৱা হয় । এনে ৰচনাৰ বাবে লেখকৰ মননশীলতা, অনুভূতিশীলতা আৰু ভাষাৰ ওপৰত দখল থকা প্ৰয়োজন। ড০ বাণীকান্ত কাকতিৰ মতে, 'কথা-কবিতাৰ প্ৰাথমিক উদ্দেশ্য চিত্ৰ, ইয়াত ধ্বনি ভাষাৰ ব্যঞ্জনা মাথোন। ছন্দোময়ী কবিতাৰ প্ৰধান লক্ষ্য গীত বা শ্ৰাব্য বিষয়ক মূৰ্ত্ত কৰি তোলাটো। কথা-কবিতাৰ লক্ষ্য ৰূপ বা দৃশ্যবস্তুত সজীৱতা আৰোপ কৰা । কথা-কবিতাত এটি মাথো কেন্দ্ৰস্থ ভাৱ থাকে আৰু সেই ভাৱক ডাঙৰ-সৰু কেতবোৰ তলতীয়া চিত্ৰেৰে সজীৱ কৰি তোলা । কিন্তু এইটো মনকৰিবলগীয়া কথা যে কথা-কবিতা আৰু কবিত্বময়ী কথা একে নহয়। কথা কবিতা এবিধ কবিতাই। কিন্তু কবিত্বময়ী কথা লিখাৰ ভংগী বা ভাষাৰ ৰীতি মাথোন।' (যতীন্দ্ৰনাথ দুৱৰাৰ 'কথা-কবিতা'ৰ পাতনি)। বাণীকান্তই কথা-কবিতাৰ 'প্ৰাথমিক উদ্দেশ্য চিত্ৰ'বুলি কোৱা কথা সমৰ্থন কৰিও, এই কথা উল্লেখ কৰিব লাগিব যে চিত্ৰৰ ভাবানুষংগ আৰু তাৰ প্ৰগাঢ়তাও কথা-কবিতাত সমানেই গুৰুত্বপূৰ্ণ। বিশ্বৰ যিকোনো সাহিত্যতে কথা-কবিতা সংখ্যাত অতি তাকৰীয়া। সেইবোৰৰ ভাব আৰু অনুভূতিৰ প্ৰগাঢ়তা, ভাষাৰ স্নিগ্ধতা আৰু কোমলতাই পাঠকৰ অন্তৰ স্পৰ্শ কৰে। অসমীয়া সাহিত্যত যতীন্দ্ৰনাথ দুৱৰাৰ 'কথা-কবিতা' অসমীয়া ভাষাৰ এক অমৰ কীৰ্তি ।

"কথা কবিতাৰ" পাতনিত ড: বাণীকান্ত কাকতিদেৱে উল্লেখ কৰা কথা কবিতাৰ লক্ষণসমূহ পাঠকসকলৰ সুবিধাৰ্থে তুলি ধৰা হ'ল ----

(১) কথা কবিতা এবিধ কবিতাই, কিন্তু ই কথাত ৰচিত, পদ্যত নহয়।

(২) ই চিত্ৰ ধৰ্মিতাৰ ওপৰত প্ৰতিষ্ঠিত। ছন্দোময়ী কবিতাৰ প্ৰাথমিক উদ্দেশ্য ধ্বনি, চিত্ৰ নহয়; চিত্ৰ আনুষংগিক হ'ব পাৰে।

(৩) ইয়াত এটা মাত্ৰ কেন্দ্ৰস্থ ভাব থাকে আৰু সেই ভাবক ডাঙৰ সৰু কেতবোৰ তলতীয়া চিত্ৰেৰে সজীৱ কৰি তোলা হয়।

(৪) কথা কবিতাৰ লক্ষ্য হৈছে ৰূপ বা দৃশ্য বস্তুত সজীৱতা আৰোপ কৰা। ছন্দোময়ী কবিতাৰ প্ৰধান লক্ষ্য গীত বা শ্ৰাব্য বিষয়ক মূৰ্ত কৰি তোলা।

(৫) কথা কবিতা আৰু কবিত্বময়ী কথা একে নহয়। কথা কবিতা এবিধ কবিতাই, কিন্তু কবিত্বময়ী কথা লিখাৰ ভংগী বা ভাষাৰ ৰীতি মাথোন।

(৬) কথা কবিতাত ৰূপৰ সমাৱেশ থাকে আৰু ই প্ৰায়েই ৰূপকাত্মক। প্ৰত্যেকটো চিত্ৰৰ আঁৰতেই ওৰণি লোৱা ভাব একোটা থাকে। **#COPIED**